# সান্ত্বনা বৰুৱা সোঁৱৰণী অনলাইন কবিতা প্ৰতিযোগিতাৰ ফলাফল

কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উদ্যোগত আৰু সান্ত্বনা বৰুৱাৰ পৰিয়ালৰ সহযোগত আয়োজন কৰা সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত অসমীয়া অনলাইন কবিতা প্ৰতিযোগিতাৰ ফলাফল সমূহ বিচাৰকমণ্ডলীৰ সিদ্ধান্ত অনুসৰি ঘোষণা কৰা হৈছে। এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ৭০০০.০০ টকা লাভ কৰে পাণ্ডু মহাবিদ্যালয়ৰ ছাত্ৰী নীতিস্মিতা বৰাই। দ্বিতীয় পুৰস্কাৰ নগদ ৫০০০.০০ টকা লাভ কৰে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ মৃগাংক কলিতা আৰু তৃতীয় পুৰস্কাৰ নগদ ৩০০০.০০ টকা লাভ কৰে দেৱৰাজ ৰয় কলেজৰ ছাত্ৰী অন্বেষা পাচনীয়ে।

প্ৰতিযোগিতাৰ দুটি বিশেষ উদগনিমূলক বঁটা নগদ ১৫০০.০০ টকা লাভ কৰিছে ক্ৰমে ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ভৰসা কুমাৰ আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজৰ ছাত্ৰী সুশ্ৰেষ্ঠা বৰবৰাই।

এই পুৰস্কাৰ সমূহ সান্ত্বনা বৰুৱাৰ জন্ম দিৱস উপলক্ষে অহা ১৭ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে অনলাইনযোগে প্ৰদান কৰা হ'ব। এক প্ৰেছ বিজ্ঞপ্তি যোগে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে এই কথা জনাইছে।